নং-চি.ডি.পি.অ'.(কে.টি.এল.)৯২/২০২১-২২/পি.টি.-২/৬৪

# বিজ্ঞাপন

অসম চৰকাৰৰ সমাজ কল্যাণ বিভাগৰ অধীনৰ কঠীয়াতলী শিশু উন্নয়ন প্ৰকল্পত খালী হৈ থকা অংগনৱাড়ী কৰ্মী/সহায়িকা হিচাপে স্বেচ্ছামূলক সেৱা আগবঢ়াবলৈ ইচ্ছুক মহিলা প্ৰাৰ্থীৰ পৰা আৱেদন পত্ৰ বিচৰা হৈছে। নিম্নলিখিত চৰ্তাৱলী সাপেক্ষে স্বেচ্ছামূলক সেৱা আগবঢ়াবলৈ ইচ্ছুক প্ৰাৰ্থীসকলে এই কাৰ্যালয়ৰ দ্বাৰা যোগান ধৰা নিৰ্দ্ধাৰিত প্ৰ-পত্ৰৰ যোগেদি যাৱতীয় তথ্য আৰু নথি-পত্ৰসহ আৱেদন কৰিব পাৰিব। আৱেদন পত্ৰৰ লগত দুখন পাছপ'ৰ্ট আকাৰৰ ৰঙীণ ফটো গাঁঠি দিব লাগিব। খালী থকা পদৰ তালিকা তলত উল্লেখ কৰা হ'ল ঃ—

| ক্ৰ ঃ নং | গাঁও পঞ্চায়ত | কেন্দ্ৰৰ নং আৰু নাম | পদৰ নাম | কেন্দ্ৰৰ এলেকা |
|---|---|---|---|---|
| ১ | বড়মপুৰ | ৩ নং ঘোগৰ গাঁও | অঃ কৰ্মী | জৰীপ এলেকা |
| ২ | বড়মপুৰ | ৫ নং নিজ গোমোঠা গাঁও | অঃ কৰ্মী | জৰীপ এলেকা |
| ৩ | উৰিয়াগাঁও | ৯ নং মৰঙিয়াল | অঃ কৰ্মী | জৰীপ এলেকা |
| ৪ | উৰিয়াগাঁও | ১০ নং উৰিয়াগাঁও লাইব্ৰেৰী | অঃ কৰ্মী | জৰীপ এলেকা |
| ৫ | সুতাৰগাঁও | ২০ নং ধেনুচোঁচা | অঃ কৰ্মী | জৰীপ এলেকা |
| ৬ | সুতাৰগাঁও | ২২ নং মাজৰ কুমাৰ গাঁও | অঃ কৰ্মী | জৰীপ এলেকা |
| ৭ | নিজ কঠীয়াতলী | ৪৮ নং গড়েবাৰী হায়াই গ্ৰাণ্ট | অঃ কৰ্মী | জৰীপ এলেকা |
| ৮ | চাৰলক | ১২৮ নং চাৰলক | অঃ কৰ্মী | জৰীপ এলেকা |
| ৯ | গাৰুখুন্দা | ২৭৬ নং কেঁকুৰিবাৰী | অঃ কৰ্মী | জৰীপ এলেকা |
| ১০ | কচুৱা | ১৮১ নং কচুৱা তিনিআলি | অঃ কৰ্মী | জৰীপ এলেকা |
| ১১ | লংজাপ | ২২১ নং বৰপুখুৰীপাৰ | অঃ কৰ্মী | জৰীপ এলেকা |
| ১২ | যমুনামুখ | ১০৭ নং আজাদ হিন্দ বি. কে. এছ. | অঃ কৰ্মী | জৰীপ এলেকা |
| ১৩ | কন্দলি | ৫৭ নং বৰকছাৰী গাঁও | অঃ কৰ্মী | জৰীপ এলেকা |
| ১৪ | ডবকা | ৯৮ নং নেহেৰুজয়ন্তী | অঃ কৰ্মী | জৰীপ এলেকা |
| ১৫ | ৰাঙলু | ৩৬ নং উৰিয়াগ্ৰাণ্ট টুবুকী | সহায়িকা | জৰীপ এলেকা |
| ১৬ | উৰিয়াগাঁও | ৯ নং মৰঙিয়াল | সহায়িকা | জৰীপ এলেকা |
| ১৭ | নিজ কঠীয়াতলী | ৪৮ নং গড়েবাৰী হাৱাইগ্ৰাণ্ট | সহায়িকা | জৰীপ এলেকা |
| ১৮ | ভেলেউগুৰি | ৬৪ নং গঞ্জপ্ৰসাদ | সহায়িকা | জৰীপ এলেকা |
| ১৯ | চাৰলক | ১২৪ নং চলিহা এল. পি. | সহায়িকা | জৰীপ এলেকা |
| ২০ | বালিৰাম | ১০৩ নং বালিৰাম | সহায়িকা | জৰীপ এলেকা |
| ২১ | বালিৰাম | ১০৪ নং ৰহঢলা | সহায়িকা | জৰীপ এলেকা |
| ২২ | যমুনামুখ | ১২২ নং বিষ্ণুনগৰ | সহায়িকা | জৰীপ এলেকা |
| ২৩ | যমুনামুখ | ১২০ নং চিকামাৰি কালিবাৰী | সহায়িকা | জৰীপ এলেকা |
| ২৪ | শিঙিমাৰী | ২১৩ নং শিঙিমাৰী নন্‌কে | সহায়িকা | জৰীপ এলেকা |
| ২৫ | শিঙিমাৰী | ২৪২ নং দক্ষিণ জাৰবাগান | সহায়িকা | জৰীপ এলেকা |
| ২৬ | শিঙিমাৰী | ৪৫৬ নং ৰাজাগাঁও বাহবাৰী | সহায়িকা | জৰীপ এলেকা |
| ২৭ | চাংচকী | ১৭০ নং চাংচকী গাঁও | সহায়িকা | জৰীপ এলেকা |
| ২৮ | চাংচকী | ১৭৩ নং বৰগাঁও এল.পি. | সহায়িকা | জৰীপ এলেকা |
| ২৯ | ৰাঙলু | ৩০৭ নং ৰাঙলু সুতাৰ | সহায়িকা | জৰীপ এলেকা |
| ৩০ | জুৰিৰপাৰ | ২০২ নং পাহাৰতলী চুৰাহীমাদ্ৰাছা | সহায়িকা | জৰীপ এলেকা |
| ৩১ | তেতেলিসৰা | ১৫১ নং পশ্চিম তেতেলিসৰা ভাটিকুৰী | সহায়িকা | জৰীপ এলেকা |
| ৩২ | তেতেলিসৰা | ১৪৭ নং পূব তেতেলিসৰা | সহায়িকা | জৰীপ এলেকা |
| ৩৩ | চাৰলক | ২৬৫ নং চাৰলক ভকতগাঁও | সহায়িকা | জৰীপ এলেকা |
| ৩৪ | নামবৰ লালুংগাঁও | ৫৪ নং কছাৰীগাঁও | সহায়িকা | জৰীপ এলেকা |
| ৩৫ | নামবৰ লালুংগাঁও | ৩৫৫ নং ২ নং নামবৰ লালুংগাঁও | সহায়িকা | জৰীপ এলেকা |
| ৩৬ | নিজ কামপুৰ | ৩২২ নং গোৱালাগাঁও নামঘৰ | সহায়িকা | জৰীপ এলেকা |
| ৩৭ | ডবকা | ৮৯ নং উত্তৰ ডবকা পথাৰ | সহায়িকা | জৰীপ এলেকা |
| ৩৮ | ডবকা | ৯৪ নং গাঁওৰক্ষী বাহিনী | সহায়িকা | জৰীপ এলেকা |
| ৩৯ | ডবকা | ৯৬ নং মিকিৰআটী হাওগাঁও | সহায়িকা | জৰীপ এলেকা |
| ৪০ | ডবকা | ৯৮ নং নেহেৰু জয়ন্তী | সহায়িকা | জৰীপ এলেকা |
| ৪১ | ডবকা | ৯৯ নং বিদ্যানিকেতন | সহায়িকা | জৰীপ এলেকা |
| ৪২ | চাংখুলা | ৪২০ নং দোমাইহাগী এছ.টি. | সহায়িকা | জৰীপ এলেকা |

## চৰ্তাৱলী

১। অংগনৱাড়ী কেন্দ্ৰ কৰ্মী, সহায়িকা পদৰ আৱেদন কৰা প্ৰাৰ্থীসকল সংশ্লিষ্ট অংগনৱাড়ী কেন্দ্ৰৰ জৰীপ এলেকাৰ স্থানীয় মহিলা প্ৰাৰ্থী হ'ব লাগিব।

২। আৱেদন কৰা প্ৰাৰ্থীসকলৰ বয়স ইং ০১/০১/২০২৩ তাৰিখত ১৮ বছৰৰ পৰা ৪৪ বছৰৰ ভিতৰত হ'ব লাগিব।

৩। অংগনৱাড়ী কেন্দ্ৰৰ কৰ্মী পদৰ বাবে শিক্ষাগত অৰ্হতা অসম চৰকাৰৰ দ্বাৰা অনুমোদিত ব'ৰ্ডৰ পৰা উচ্চতৰ মাধ্যমিক পৰীক্ষাত (HSSLC) উত্তীৰ্ণ হ'ব লাগিব। লগতে নম্বৰৰ তালিকা (Marksheet) গাঁঠি দিব লাগিব। যদিহে উচ্চতৰ মাধ্যমিক পৰীক্ষাত উত্তীৰ্ণ প্ৰাৰ্থী পোৱা নাযায়, তেনেহ'লে হাইস্কুল শিক্ষান্ত পৰীক্ষাত (HSLC/AHM) উত্তীৰ্ণ প্ৰাৰ্থীৰ আৱেদন গ্ৰাহ্য কৰা হ'ব। (এইক্ষেত্ৰত কে. কে. হেণ্ডিক মুক্ত বিশ্ববিদ্যালয়ৰ পৰা কোনো উত্তীৰ্ণ প্ৰাৰ্থীক HSSLC বা HSLC উত্তীৰ্ণ প্ৰাৰ্থীৰ সমতুল্য বুলি বিবেচনা কৰা নহ'ব।)

৪। অংগনৱাড়ী কেন্দ্ৰৰ সহায়িকা পদৰ বাবে শিক্ষাগত অৰ্হতা অসম চৰকাৰৰ দ্বাৰা অনুমোদিত ব'ৰ্ডৰ পৰা হাইস্কুল শিক্ষান্ত পৰীক্ষা (HSLC/AHM) উত্তীৰ্ণ প্ৰাৰ্থী হ'ব লাগিব। যদিহে উত্তীৰ্ণ প্ৰাৰ্থীৰ আৱেদন পোৱা নাযায় তেনেহ'লে নৱম শ্ৰেণী উত্তীৰ্ণ প্ৰাৰ্থীৰ আৱেদন গ্ৰাহ্য কৰা হ'ব। এই ক্ষেত্ৰত বিদ্যালয়ৰ প্ৰধান শিক্ষকে দিয়া শিক্ষাগত অৰ্হতাৰ প্ৰমাণ পত্ৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক (Inspector of Schools)ৰ প্ৰতি স্বাক্ষৰ (Countersign) থকাটো বাধ্যতামূলক। যদিহে বিদ্যালয়সমূহৰ পৰিদৰ্শকৰ স্বাক্ষৰ নাথাকে তেনেকুৱা শিক্ষাগত প্ৰমাণ পত্ৰ গ্ৰাহ্য কৰা নহ'ব।

৫। আৱেদনকাৰী স্থানীয় বাসিন্দাৰ প্ৰমাণ পত্ৰ গাঁওবুঢ়া/ৱাৰ্ড মেম্বাৰ/গাঁও পঞ্চায়তৰ সভাপতিৰদ্বাৰা স্বাক্ষৰিত হ'ব লাগিব। এই সকলো স্থায়ী বাসিন্দাৰ প্ৰমাণ পত্ৰ উক্ত পঞ্চায়তৰ মুখ্য সেৱিকাৰ দ্বাৰা সত্যতা নিৰূপণ কৰা হ'ব লাগিব।

৬। উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত (HSSLC) বা হাইস্কুল শিক্ষান্ত পৰীক্ষাত (HSLC) পোৱা নম্বৰৰ ভিত্তিত আৰু বিভাগে যুগুতোৱা নীতি-নিয়মৰ মাজেৰে মৌখিক সাক্ষাৎকাৰৰ ভিত্তিত সকলো পদৰ প্ৰাৰ্থী বাছনি কৰা হ'ব।

৭। বিশেষভাৱে সক্ষম লোকৰ বাবে 3% পদ সংৰক্ষিত থাকিব। বিশেষভাৱে সক্ষমৰ প্ৰমাণ পত্ৰ লগত গাঁঠি দিব লাগিব।

৮। অঃ কেন্দ্ৰ স্থাপন হোৱা কেন্দ্ৰ এলেকাৰ বিবাহিত মহিলাকহে বিবেচিত কৰা হ'ব, কিন্তু বিধৱা আৰু বিবাহ বিচ্ছেদ মহিলাক এইক্ষেত্ৰত অগ্ৰাধিকাৰ দিয়া হ'ব (এইক্ষেত্ৰত প্ৰমাণ পত্ৰ লগত গাঁঠি দিব লাগিব।)

৯। ৪০% তকৈ বেছি থকা গাঁও অনুসূচিত জাতি/অনুসূচিত জনজাতি/চাহ জনজাতি থকা লোকেহে আৱেদন পত্ৰ দাখিল কৰিব পাৰিব।

১০। আৱেদন পত্ৰৰ লগত দিয়া প্ৰত্যেকখন প্ৰত্যায়িত কপিত স্ব-স্বাক্ষৰ কৰা হ'ব লাগিব।

১১। কাৰ্যালয়ৰ পৰা বিতৰণ কৰা আৱেদন পত্ৰহে গ্ৰাহ্য কৰা হ'ব।

১২। সাক্ষাৎকাৰৰ সময়ত মূল (Original) প্ৰমাণ পত্ৰ দাখিল কৰিব লাগিব।

১৩। সাক্ষাৎকাৰৰ দিন, সময়, স্থান ইত্যাদি এই এলেকাৰ মুখ্য সেৱিকা আৰু স্থানীয় গাঁওবুঢ়াৰ জৰিয়তে জনোৱা হ'ব। আৱেদন কৰা, দাখিল কৰা বিবেচিত প্ৰাৰ্থীসকলক ব্যক্তিগতভাৱে কোনো চিঠি আদিৰে জনোৱা নহ'ব।

১৪। বাছনি হোৱা প্ৰাৰ্থীসকলৰ কাম কৰাৰ বয়স ৬০ বছৰ সম্পূৰ্ণ হ'লে চাকৰিৰ কাৰ্যকাল শেষ হ'ব।

১৫। আৱেদন পত্ৰ পুৱা ১১:০০ বজাৰ পৰা ৩:০০ বজাৰ ভিতৰত সংগ্ৰহ কৰিব লাগিব।

১৬। আৱেদন পত্ৰ জমা দিয়াৰ শেষ তাৰিখ ইং ০২/০১/২০২৪ তাৰিখ।

১৭। চৰকাৰী নীতি-নিৰ্দেশনা অনুসৰি কেৱল মৌখিক সাক্ষাৎকাৰৰ ভিত্তিত নিৰ্বাচিত কৰা হ'ব।

১৮। সেৱা আগবঢ়াবলৈ বিবেচিত হোৱা কৰ্মী/সহায়িকাসকলে নিৰ্দ্ধাৰিত সময়ৰ ভিতৰত কাৰ্যালয়ত যোগদান কৰিব লাগিব।

১৯। আৱেদনকাৰীয়ে দাখিল কৰা আৱেদন পত্ৰ অ-সম্পূৰ্ণ হ'লে অথবা আৱেদনকাৰীৰ উল্লিখিত (বাধ্যতামূলক) প্ৰয়োজনীয় চৰ্তাৱলী পূৰণ নকৰা আৱেদন পত্ৰসমূহ নাকচ কৰা হ'ব।

২০। মৌখিক সাক্ষাৎকাৰৰ তাৰিখ কাৰ্যালয়ৰ জাননী ফলকত মাৰি দিয়া হ'ব।

২১। প্ৰাৰ্থীসকলক সাক্ষাৎকাৰলৈ অহা-যোৱাৰ বাবদ কোনোধৰণৰ ভ্ৰমণ বানচ দিয়া নহ'ব।

২২। শাৰীৰিক আৰু মানসিকভাৱে সুস্থ বুলি স্বীকৃতিপ্ৰাপ্ত চৰকাৰী চিকিৎসকৰ পৰা আৱেদনৰ লগত প্ৰমাণ পত্ৰ গাঁঠি দিব লাগিব।

২৩। বিদ্যালয় বা মহাবিদ্যালয়ত অধ্যয়নৰত ছাত্ৰীক উক্ত পদৰ বাবে বিবেচনা কৰা নহ'ব।

২৪। গুৰুতৰ ৰোগত আক্ৰান্ত তথা অপৰাধজনিত কোনো মোকৰ্দমাত জড়িত প্ৰাৰ্থীৰ আৱেদনসমূহ নাকচ কৰা হ'ব।

২৫। আৱেদন পত্ৰ যোগান ধৰা তাৰিখ— ১৮/১২/২০২৩ আৰু আৱেদন পত্ৰ জমা লোৱাৰ শেষ তাৰিখ— ০২/০১/২০২৪

## পাৰিতোষিক

অঃ কৰ্মীসকলক মাহে ৪,৫০০/- (চাৰি হাজাৰ পাঁচশ) টকাকৈ পাৰিতোষিক দিয়া হ'ব।

অঃ সহায়িকাসকলক মাহে ২,২৫০/- (দুই হাজাৰ দুই শ পঞ্চাশ) টকাকৈ পাৰিতোষিক দিয়া হ'ব।

স্বা/- শিশু উন্নয়ন প্ৰকল্প বিষয়া
কঠীয়াতলী, নগাঁও (অসম)

Janasanyog/D/14925/23/19-Dec-23